Original Inhabitant ৰ বিষয়ত স্পষ্টীকৰণ

NRC
NATIONAL REGISTER OF CITIZENS

জাননী

এনআৰচি উন্নীতকৰণৰ প্ৰক্ৰিয়াত Original Inhabitant চিনাক্তকৰণৰ ক্ষেত্ৰত একাংশ ব্যক্তিৰ মনত কিছু সন্দেহ বা ভ্ৰান্ত ধাৰণাৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। এই সন্দৰ্ভত আমি পুনৰ দোহাৰিছো যে এনআৰচি উন্নীতকৰণ প্ৰক্ৰিয়া বিধিসন্মত ব্যৱস্থাবলীৰ আধাৰত বিশেষকৈ "নাগৰিকত্ব (নাগৰিক পঞ্জীয়ন আৰু ৰাষ্ট্ৰীয় পৰিচয়পত্ৰ প্ৰদান) আইন ২০০৩"ৰ অধীনত স্বচ্ছভাৱে চলি আছে। উপৰোক্ত আইনৰ অধীনৰ ধাৰা ৩ (৩)ৰ ব্যৱস্থাৱলী অনুসাৰে *"সেইসকলৰ নাম, যিসকল অসম ৰাজ্যৰ Originally Inhabitant আৰু তেওঁলোকৰ ল'ৰা ছোৱালী ও উত্তৰাধিকাৰী, যিসকল ভাৰতীয় নাগৰিক, তেওঁলোকৰ নাম একত্ৰিত তালিকাত অন্তৰ্ভুক্ত কৰা হ'ব যদি তেনে ব্যক্তিসকলৰ নাগৰিকত্ব সন্দেহাতীতভাৱে প্ৰতিপন্ন হোৱা বুলি পঞ্জীয়ন কৰ্তৃপক্ষ নিশ্চিত হয়"।* আইন অনুসৰি Original Inhabitant হিচাপে প্ৰতিপন্ন হোৱাসকলৰ নাম এনআৰচিত অন্তৰ্ভুক্তিৰ বাবে যোগ্য হোৱা হেতুকে আইনৰ এই ধাৰাটো প্ৰয়োগৰ দ্বাৰা এইটো সুনিশ্চিত কৰিবলৈ লোৱা হৈছে যাতে কোনো Original Inhabitant আইনৰ এই সুৰক্ষাৰ পৰা বঞ্চিত নহয় আৰু নথি-পত্ৰ নোহোৱা বা এই ধৰণৰ অন্য কোনো কাৰণত তেওঁলোকৰ নাম যাতে এনআৰচিৰ পৰা বাদ নপৰে। Original Inhabitant চিহ্নিতকৰণৰ জৰিয়তে এনআৰচিত অন্তৰ্ভুক্ত হোৱা নাগৰিকসকলক কোনো বিশেষ মৰ্য্যাদা প্ৰদান কৰা নহ'ব আৰু তেওঁলোকৰ ক্ষেত্ৰত কোনোধৰণৰ অগ্ৰাধিকাৰ বা শ্ৰেণীকৰণৰো সুবিধা নাথাকিব। ৰাইজে মনত ৰাখিব যে ধৰ্ম, বৰ্ণ, সম্প্ৰদায়, ভাষা বা অঞ্চল নিৰ্বিশেষে সকলো প্ৰকৃত ভাৰতীয় নাগৰিকৰ নাম উন্নীতকৃত এনআৰচিত অন্তৰ্ভুক্ত কৰা হ'ব। উন্নীতকৃত এনআৰচিত অন্তৰ্ভুক্ত সকলো নাগৰিকৰ কেনো শ্ৰেণী বিভাজন নোহাৰাকৈ সমান অধিকাৰ আৰু সমমৰ্য্যাদা নিশ্চিত হ'ব। **খচৰা আৰু চুড়ান্ত উন্নীতকৃত এনআৰচিত কোনো ব্যক্তিকেই Original Inhabitant হয় বা নহয় বুলি দেখুওৱা নহ'ব আৰু 'নাগৰিক' হিচাবে অকল এটা শ্ৰেণীতেই সকলোকে অন্তৰ্ভুক্ত কৰা হ'ব।** সেয়েহে, ইয়াৰ দ্বাৰাই জনসাধাৰণক অনুৰোধ কৰা হৈছে যাতে তেওঁলোকে নথি-পত্ৰৰ দ্বাৰা যোগ্যতা প্ৰতিপন্ন কৰি এনআৰচিত নাম অন্তৰ্ভুক্ত হোৱা আবেদনকাৰীসকলৰ বিপৰীতে Original Inhabitant চিহ্নিত হোৱা আবেদনকাৰীসকলে কোনো বিশেষ বা অতিৰিক্ত মৰ্য্যাদা লাভ কৰিব বুলি কোনো ধৰণৰ ভ্ৰান্ত ধাৰণাৰ বশৱৰ্তী নহয় বা নিৰাপত্তাহীনতাবোধ নকৰে। উল্লেখনীয় যে পঞ্জীয়ন কৰ্তৃপক্ষৰ দ্বাৰা Original Inhabitant চিহ্নিত হোৱা বহুসংখ্যক আবেদনকাৰীও এনআৰচিত অন্তৰ্ভুক্তিৰ বাবে প্ৰয়োজনীয় সকলো নথি-পত্ৰ দাখিল কৰিছে। সেয়েহে, জনসাধাৰণলৈ অনুৰোধ জনোৱা হ'ল তেওঁলোকে যাতে নিশ্চিত হয় যে, Original Inhabitant চিহ্নিতকৰণ প্ৰক্ৰিয়া আইনৰ বিধান অনুযায়ী সম্পূৰ্ণ যত্ন সহকাৰে নিৰূপণ কৰা হৈছে যাতে সকলো প্ৰকৃত ভাৰতীয়ৰ নাম এনআৰচিত অন্তৰ্ভুক্ত হয় আৰু এই সম্পৰ্কে শেষ সিদ্ধান্ত সকলো স্তৰৰ পৰীক্ষণৰ পাছতহে লোৱা হ'ব।

স্বা/- ৰাজ্যিক সমন্বয়ক, ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী, অসম

বিশদভাবে জানিবলৈ আৰু সহায়ৰ বাবে	আমাৰ বিনামূলীয়া হেল্পলাইন নম্বৰ ১৫১০৭ (15107)	আমাৰ ৱেবচাইট www.nrcassam.nic.in	*ৰাজ্যিক সমন্বয়ক, ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীয়ন, অসমৰ দ্বাৰা জনহিতাৰ্থে প্ৰচাৰিত।*

nrcassam @NRCupdateAssam ত আমাক অনুসৰণ কৰক

Exclusive/NRC/08-2016/33